# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-09-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - - -

১। লখিমপুৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠক সম্পন্ন।

২। লখিমপুৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আৱৰ্জনা ব্যৱস্থাপনাৰ প্ৰকল্প মুকলিৰ লগতে কেইবাটাও প্ৰকল্পৰ কাম-কাজৰ অগ্ৰগতিৰ পৰিদৰ্শন।

৩। কেন্দ্ৰীয় জনজাতীয় পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী দুৰ্গাদাস উইকেৰ তিনিচুকীয়া ভ্ৰমণ কৰি জিলাখনৰ বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজৰ পৰ্যালোচনা।

৪। অসমৰ সত্ৰ আৰু নামঘৰসমূহত আজি পুৱাৰে পৰা নাম-প্ৰসংগকে ধৰি ভিন ভিন কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৬ সংখ্যক তিৰোভাৱ তিথি পালন। **আৰু**

৫। ৭ ছেপ্তেম্বৰৰ পৰা চাৰিদিনীয়াকৈ গুৱাহাটীত উত্তৰ-পূব মণ্ডল আন্তঃৰাজ্যিক বেডমিণ্টন প্ৰতিযোগিতা।

০০০০০

লখিমপুৰত আজি ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা হয়। চাৰিদিনীয়া ভ্ৰমণসূচীৰে ৫ খন জিলালৈ যোৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা কালি বিয়লি লখিমপুৰত উপস্থিত হয়।

কেবিনেটৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে লখিমপুৰ জিলাৰ চাবতিত নিৰ্মীয়মান আন্তঃৰাজ্যিক বাছ আস্থান পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। ২২ বিঘা মাটিত নিৰ্মাণ কৰি থকা এই প্ৰকল্পটো সম্পূৰ্ণ হৈ উঠিলে অৰুণাচল প্ৰদেশৰ লগতে ৰাজ্যৰ আন জিলালৈ যাতায়াত ব্যৱস্থাত আন এক সংযোজন ঘটিব। মুখ্যমন্ত্ৰীগৰাকীয়ে কামৰ অগ্ৰগতিৰ তদাৰক কৰি নিৰ্ধাৰিত সময়ত কাম সম্পূৰ্ণ কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। এই প্ৰকল্পটো ২০২৫ৰ আগষ্টত কাৰ্যক্ষম হ'ব। আনহাতে লখিমপুৰ নগৰৰ সমীপৰ জাপিসজীয়াৰ জাৰৰ নিষ্কাষণ প্ৰকল্পও মুখ্যমন্ত্ৰীগৰাকীয়ে উদ্বোধন কৰে। উল্লেখযোগ্য যে এই প্ৰকল্পই সুমদিৰি নদীক সজীৱ কৰি তোলাৰ লগতে ১৬ বিঘা ভূমি পুনৰ উদ্ধাৰ কৰিব। এই ভূমিক নগৰীয়া, অৰণ্য তথা আৰ্বান ৰিট্ৰিট জ'নলৈ উন্নীত কৰা হ'ব। ইয়াৰ মূল লক্ষ্য হ'ব পৰিৱেশ বহনক্ষম কৰি তোলা। এই উদ্দেশ্যেৰে প্ৰায় ৫ দশমিক ৫ একৰ ভূমি সামৰি মিয়াৱাকি কৌশল ব্যৱহাৰ কৰি থলুৱা প্ৰজাতিৰ গছ ৰোপণ কৰা হ'ব। অঞ্চলটোত খোজকঢ়া আৰু চাইকেল চলোৱাৰ পথ, মৌলিক সা-সুবিধা, ফুট কৰ্ট আৰু অন্যান্য বিনোদনৰ সুবিধা থাকিব।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৪০০ কোটি টকা ব্যয় সাপেক্ষ ঘাগৰ দলং নিৰ্মাণৰ অগ্ৰগতিৰ বুজ লৈ যোৱা বছৰ বানৰ বাবে দলঙৰ কাম ভবামতে কৰিব নোৱাৰাৰ বিপৰীতে এইবাৰ ৪২টা খুঁটাৰ পাইলিঙৰ কাম সম্পূৰ্ণ কৰা হ'ব বুলি মন্তব্য কৰে। ইপিনে মুখ্যমন্ত্ৰীগৰাকীয়ে নকাৰীৰ উৰণসেঁতু, ঘাগৰ দলং নিৰ্মাণৰ অগ্ৰগতিৰো বুজ লয়।

০০০০০

কেন্দ্ৰীয় জনজাতীয় পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী দুৰ্গাদাস উইকে দুদিনীয়া কাৰ্যসূচীৰে আজি তিনিচুকীয়া জিলাত উপস্থিত হৈছে। জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন সভাত সভাপতিত্ব কৰি তেওঁ জিলাখনত চলিত বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজৰ পৰ্যালোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই পৰ্যালোচনা বৈঠকতে প্ৰতিগৰাকী বিষয়াক সকলো চৰকাৰী আঁচনিৰ বিষয়ে পুংখানুপুংখভাৱে জানি নিজৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে নিজেই ভালকৈ নাজানিলে আঁচনিসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত সফল হ'ব নোৱাৰে বুলি মন্তব্য কৰে। কেন্দ্ৰীয় জনজাতীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী হিচাপে তেওঁ বহিঃৰাজ্যলৈ প্ৰব্ৰজন বা পলায়ন কৰা জনজাতীয় লোকসকলক সেই স্থানতে সকলো চৰকাৰী আঁচনিৰ সুবিধাসহ নাগৰিকৰ সম্পূৰ্ণ সা-সুবিধা লাভ কৰাতো নিশ্চিত কৰিবলৈ সংশ্লিষ্ট প্ৰশাসনক আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰতিজন সচেতন সংবেদনশীল ব্যক্তিয়ে সামাজিক দায়বদ্ধতাৰে দেশ আৰু সমাজৰ কাৰণে অৰিহণা আগবঢ়া উচিত বুলি মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে বিয়লি কেইবাখনো কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ কাইলৈ ডিগবৈ তেল শোধনাগাৰ পৰিদৰ্শন কৰিব।

ooooo

নতুন দিল্লীত আজি ত্ৰিপুৰা চৰকাৰ, নেচনেল লিবাৰেচন ফ্ৰণ্ট অব্ ত্ৰিপুৰা, এন এল এফ টি আৰু অল ত্ৰিপুৰা টাইগাৰ ফ'ৰ্চ - এ টি টি এফৰ মাজত এখন চুক্তি স্বাক্ষৰিত হয়। চুক্তি স্বাক্ষৰৰ সময়ত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মাণিক সাহা, গৃহ মন্ত্ৰালয় আৰু ত্ৰিপুৰা চৰকাৰৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। অনুষ্ঠানত দিয়া ভাষণত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এন এল এফ টি আৰু এ টি টি এফৰ দৰে সংগঠনে অস্ত্ৰ সম্বৰণ কৰি মূল সুঁতিলৈ ঘূৰি অহাৰ লগতে ৰাজ্যখনৰ উন্নয়নৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হোৱাটো আনন্দৰ বিষয় বুলি মন্তব্য কৰে। তেওঁ কয় যে নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছৰেপৰা উত্তৰ-পূৰ্বাঞ্চলক শান্তি আৰু আলোচনাৰ মাধ্যমেৰে দেশৰ সন্মুখত বিকশিত অঞ্চলৰূপে গঢ়ি তুলিছে। কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূবত শান্তি প্ৰতিষ্ঠাৰ বাবে ১২ খন গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰ কৰিছে আৰু ইয়াৰ তিনিখন ত্ৰিপুৰাৰ সৈতে জড়িত বুলি তেওঁ মন্তব্য কৰে।

ooooo

নাগালেণ্ডৰ চুমুকেডিমাত যোৱা নিশা হোৱা ভূমিস্খলনৰ ফলত ৬ জন লোক মৃত্যুমুখত পৰিছে। ভূমিস্খলন সংঘটিত স্থানৰ পৰা ৫ জন পুৰুষ আৰু এগৰাকী মহিলাৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। আনহাতে প্ৰচণ্ড বৰষুণৰ বাবে ৰাজ্যখনৰ ৰাজধানী কোহিমাৰ সৈতে ডিমাপুৰক সংযোগ কৰা ২৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথটো দুঠাইত পানীয়ে সম্পূৰ্ণৰূপে ছিঙি পেলায়। ইয়াৰ ফলত ৰাজধানী কোহিমা আৰু চুবুৰীয়া ৰাজ্য মণিপুৰলৈ ঘাইপথটোৰে যাতায়াত সম্পুৰণ বন্ধ হৈ পৰিছে। অঞ্চলটোত হোৱা প্ৰচণ্ড বৰষুণৰ ফলত পথৰ কাষৰ ভালেমান বাসগৃহ, হোটেল আদি ক্ষতিগ্ৰস্ত হৈছে।

আনহাতে নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিউ ৰিঅ'য়ে ধাৰাষাৰ বৰষুণৰ ফলত ২৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত হোৱা ক্ষতিক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট কৰ্তৃপক্ষই অঞ্চলসমূহৰ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে ক্ষতিগ্ৰস্ত লোকসকলৰ প্ৰতি সহায়ৰ হাত আগবঢ়াইছে। আনহাতে ৰাষ্ট্ৰীয় ঘাইপথৰ ভাগি যোৱা অংশ দুটা অতিশীঘ্ৰে মেৰামতি কৰি স্বাভাৱিক অৱস্থা ঘূৰাই অনাৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষৰ সৈতে ৰাজ্য চৰকাৰে যোগাযোগ কৰা বুলিও তেওঁ জানিবলৈ দিয়ে।

ooooo

ৰাজ্যৰ উচ্চ শিক্ষা আৰু বিদ্যালয় শিক্ষা বিভাগৰ উদ্যোগত কাইলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰংঘৰ প্ৰেক্ষাগৃহত ৬৩ সংখ্যক শিক্ষক দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত মনোনীত কৃতি শিক্ষাগুৰুসকললৈ ৰাজ্যিক বঁটা প্ৰদান কৰাৰ লগতে নাকৰ মূল্যায়নত A++ আৰু A+ তথা বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা স্বায়ত্ত

শাসিত মৰ্যাদা লাভ কৰা মহাবিদ্যালয়ৰ অধ্যক্ষসকলৰ লগতে পেটেণ্ট লাভ কৰা মহাবিদ্যালয়সমূহৰ শিক্ষকসকললৈ সম্বৰ্দ্ধনা জ্ঞাপন কৰা হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। ইপিনে, প্ৰধানমন্ত্ৰী উচ্চতৰ শিক্ষা অভিযান আঁচনিৰ অধীনত কাইলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ ৩১ খন উচ্চ শিক্ষানুষ্ঠানক আনুষ্ঠানিকভাৱে ২২৯ কোটি ৯ লাখ ৫৫ হাজাৰ টকাৰ পুঁজি আৱণ্টন দিব।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ পুৱা ৭ বাজি ৫৫ মিনিটৰ পৰা ৫ মিনিটৰ এখন নতুন বুলেটিন প্ৰচাৰ কৰিব। কাইলৈ শিক্ষক দিৱসৰ পৰাই ডিব্ৰুগড় আৰু কাষৰীয়া জিলাসমূহৰ শ্ৰোতাসকলৰ আগ্ৰহৰ প্ৰতি সঁহাৰি জনাই এই বুলেটিন প্ৰচাৰ কৰা হ'ব।

০০০০০

অসমৰ সত্ৰ আৰু নামঘৰসমূহত আজি পুৱাৰে পৰা নাম-প্ৰসংগকে ধৰি ভিন ভিন কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৬ সংখ্যক তিৰোভাৱ তিথি পালন কৰা হৈছে। এই উপলক্ষে সত্ৰনগৰী **বৰপেটা**ত পুৱাৰে পৰা কীৰ্তন মহোৎসৱ অনুষ্ঠিত হৈছে। পুৱা গীত আৰু ভটিমাৰ অন্তত সত্ৰৰ মুখ্য পাঠকৰ নেতৃত্বত নৃত্য-প্ৰসঙ্গ অনুষ্ঠিত হোৱাৰ পাছতে ভাগৱত পাঠ, ঘোষা কীৰ্তন আৰু ব্যাহ কীৰ্তন সম্পন্ন হয়। বিয়লি বৃন্দাবন হাটীৰ ভকতসকলে কীৰ্তন মহোৎসৱ উপলক্ষে কৰভাৰ প্ৰদান কৰিছে। এই কৰভাৰত ভকতসকলে হাটীৰ প্ৰথা অনুসৰি চাউল, কাচকল, কোঁমোৰা, মিঠাতেল, পাণ-তামোল আদি প্ৰদান কৰে। আনহাতে, **বটদ্ৰৱা থান**ত শংকৰদেৱৰ তিৰোভাৱ তিথি উৎসৱটি 'গুৰু কীৰ্তন' হিচাপে পালন কৰা হয়। বটদ্ৰৱা থানৰ পৰম্পৰা অনুসৰি শ শ বছৰ ধৰি গুৰু কীৰ্তন উৎসৱ দুদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয়। ধৰ্মীয় পৰম্পৰাৰে কালি আৰম্ভ হোৱা গুৰু কীৰ্তনত আজি দ্বিতীয় দিনা মঞ্জিৰা নাম, আইসকলৰ নাম, খোল-তাল প্ৰসংগ আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। ইফালে, পুৱাৰেপৰা ঊষা কীৰ্তনেৰে বটদ্ৰৱাৰ চৌপাশ হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰে। মহাপুৰুষজনাৰ তিৰোভাৱ তিথি উপলক্ষে আজি ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে **ডিব্ৰুগড়**ৰ আউনীআটি শাখা সত্ৰ পৰিদৰ্শন কৰে। তেওঁ সত্ৰত গৈ নাম-প্ৰসংগত অংশ লোৱাৰ লগতে গুৰুজনাক প্ৰণিপাত জনায়। সমাগত ভকত তথা আয়তীসকলৰ সৈতে মত বিনিময় কৰি গুৰুজনাই বৃহত্তৰ অসমীয়া জাতি গঠনৰ ক্ষেত্ৰত আগবঢ়াই যোৱা বৰঙণি সম্পৰ্কত নৱ প্ৰজন্মক অৱগত কৰিবলৈ আহ্বান জনায়।

ইফালে, **কোচবিহাৰৰ মধুপুৰ সত্ৰ**তো আজি দিনজোৰা কাৰ্যসূচীৰ গুৰুজনাৰ তিৰোভাৱ তিথি পালন কৰা হৈছে। একেদৰে ঐতিহাসিক **ঢেকীয়াখোৱা** বৰনামঘৰতো দিনজোৰা কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি উদযাপন কৰা হৈছে। এই উপলক্ষে পুৱাৰে পৰা বিভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱসকলে শৰাই নৈবদ্য লৈ গুৰুজনাৰ ওচৰত সেৱা আগবঢ়ায়।

সত্ৰপীঠ **মাজুলী**তো গুৰুজনাৰ তিৰোভাৱ তিথি ধৰ্মীয় ৰীতি-নীতিৰে পালন কৰা হৈছে। ঐতিহ্যমণ্ডিত নদীদ্বীপটোৰ সত্ৰ আৰু নামঘৰসমূহ পুৱাৰে পৰাই নাম-প্ৰসংগৰে মুখৰ হৈ পৰিছে। মাজুলীৰ ৩৫খন সত্ৰ আৰু তিনি শতাধিক নামঘৰ গুৰুজনাৰ তিথি উপলক্ষে হৰিনাম, কীৰ্তনৰ ধ্বনিৰে মুখৰ হৈ পৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ব্ৰুনেইৰ বন্দৰ ছেৰী বেগৱানত দেশখনৰ ছুলতান হাজি হাছানাল বোল্কিয়াৰ সৈতে আলোচনাত অংশগ্ৰহণ কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে ছুলতান হাজি হাছানাল বোল্কিয়াক সাক্ষাৎ কৰি তেওঁ আনন্দ অনুভৱ কৰিছে। বৈঠকত দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ ব্যৱস্থাকে ধৰি ভালেমান বিষয়ে স্থান লাভ কৰে বুলি তেওঁ জানিবলৈ দিয়ে। ভাৰত আৰু ব্ৰুনেইৰ মাজত বাণিজ্যিক সম্পৰ্কৰ লগতে জনসাধাৰণৰ মাজৰ আদান-প্ৰদানৰ ব্যৱস্থা অধিক সম্প্ৰসাৰিত হ'ব বুলিও তেওঁ লগতে প্ৰকাশ কৰে। উভয় দেশৰ মাজৰ সম্পৰ্কৰ লগতে এক্ট-ইষ্ট নীতিক অধিক কাৰ্যকৰী কৰাৰ হকে গঠনমূলক আলোচনাত ভাগ লোৱাৰ লগতে প্ৰতিৰক্ষা, বাণিজ্য আৰু বিনিয়োগ, শক্তি, মহাকাশ প্ৰযুক্তি আদি বিভিন্ন দিশ সামৰি

দ্বি-পাক্ষিক বিষয়ক লৈ দুয়োগৰাকী নেতাই মত বিনিময় কৰে। তদুপৰি পৰস্পৰৰ স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় বিভিন্ন বিষয়ক লৈও তেওঁলোকে আলোচনা কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ মন্তব্যত, ব্ৰুনেইক ভাৰতৰ এক্ট-ইষ্ট নীতিৰ গুৰুত্বপূৰ্ণ সহযোগী বুলি অভিহিত কৰে আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীক উভয় দেশৰ উজ্বল ভৱিষ্যতৰ নিশ্চিতি হিচাপে আখ্যা দিয়ে। প্ৰধানমন্ত্ৰী হিচাপে নিজৰ তৃতীয়টো কাৰ্যকালৰ আৰম্ভণিত ব্ৰুনেই ভ্ৰমণ কৰিবলৈ পোৱাটো তেওঁৰ বাবে এটা সুযোগ বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে উল্লেখ কৰে।

উল্লেখযোগ্য যে এই আলোচনাৰ সময়ত দুয়োগৰাকী নেতাৰ উপস্থিতিত উভয় দেশৰ মাজত ভালেমান বিষয়ক লৈ এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। বৈদেশিক মন্ত্ৰী ডঃ এছ জয়শংকৰ আৰু ব্ৰুনেইৰ পৰিবহণ মন্ত্ৰী পেংগিৰান ডাট' শ্বামহাৰি ডাট' মুস্তাফাই এই চুক্তিত স্বাক্ষৰ কৰে। উভয় পক্ষৰ এই আলোচনাৰ পাছত এটা যুটীয়া বিবৃতি প্ৰকাশ কৰা হয়। আনহাতে ব্ৰুনেইৰ ছুলতানে প্ৰধানমন্ত্ৰী মোদীৰ সন্মানাৰ্থে আজি দুপৰীয়া এখন চৰকাৰী ভোজমেলৰ আয়োজন কৰে। এই ভোজমেলত অংশগ্ৰহণ কৰি শ্ৰী মোদীয়ে কয় যে, ভাৰত আৰু ব্ৰুনেইৰ মাজৰ সম্পৰ্কৰ ৪০ বছৰ পূৰ হোৱাৰ সময়তে উভয় পক্ষই পাৰস্পৰিক সহযোগিতাক অধিক মাত্ৰা প্ৰদান কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে ব্ৰুণেইৰ বৰ্তমানৰ ছুলতানৰ পিতৃয়ে নিৰ্মাণ কৰা ওমৰ আলী চাইফুদ্দিন মছজিদো পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে শক্তিৰ ক্ষেত্ৰত ব্ৰুণেই অতি চহকী। ভাৰতে এতিয়াও ব্ৰুণেইৰ পৰা যথেষ্ট পৰিমাণৰ খাৰুৱা তেল আমদানি কৰে। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে ১৯২০ চনত ব্ৰুণেইত তেল আৱিষ্কাৰৰ পৰাই দেশখনৰ পৰা ভাৰতত প্ৰথম পৰ্যায়ৰ তেলৰ আমদানি আৰম্ভ হৈছিল। বৰ্তমান ব্ৰুণেইত প্ৰায় ১৪ হাজাৰ ভাৰতীয় লোকে বসবাস কৰি আছে।

আনহাতে দ্বি-দেশীয় ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ৰ সামৰণি মাৰি দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰীগৰাকী আজি ছিংগাপুৰ অভিমুখে ৰাওনা হয়। দেশখনৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱঙৰ আমন্ত্ৰণক্ৰমে তেওঁ ছিংগাপুৰ ভ্ৰমণলৈ গৈছে।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশমৰ্মে মৰিগাঁও জিলাৰ জাগীৰোডৰ উপ-ডাকঘৰত আজি এখন বিশেষ সজাগতা সভা অনুষ্ঠিত হয়। ডাক বিভাগৰ বিভিন্ন লাভজনক আঁচনিৰ বিষয়ে জনসাধাৰণক অৱগত কৰাৰ উদ্দেশ্যে এই সজাগতা সভাৰ আয়োজন কৰা হৈছে। এই সভাৰ জৰিয়তে ডাক বিভাগৰ দ্বাৰা চৰকাৰে প্ৰদান কৰা আঁচনিসমূহৰ লাভ গ্ৰহণ কৰিবলৈ জনসাধাৰণক আহ্বান জনোৱা হয়। তদুপৰি দেশৰ বিভিন্ন প্ৰান্তত দেখা দিয়া চাইবাৰ অপৰাধৰ পৰা হাত সাৰি থকাৰ বাবে ল'বলগীয়া সাৱধানতা সম্পৰ্কেও বিশদভাৱে আলোচনা কৰা হয়। অনুষ্ঠানত জাগীৰোড উপ-ডাকঘৰৰ সহ-ডাকোৱাল মিতালী ধৰে ডাক বিভাগৰ আঁচনিসমূহৰ বিভিন্ন দিশসমূহৰ ৰাইজক অৱগত কৰে।

ooooo

যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত, জিলা কৃষি বিভাগ আৰু নাবাৰ্ডৰ সহযোগত কৃষক উৎপাদক সংস্থাৰ প্ৰথমখন অভিৱৰ্তন আজি যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহত অনুষ্ঠিত হয়। এই অভিৱৰ্তনত জিলা আয়ুক্ত পুলক মহন্ত, জিলা কৃষি বিষয়া, জিলা পশুপালন বিষয়াৰ লগতে কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে। জিলাখনৰ ৩০ টা কৃষক উৎপাদক সংস্থাৰ বিষয়ববীয়া উপস্থিত থকা প্ৰশিক্ষণ কাৰ্যসূচীত কৃষকসকলৰ ঋণ লাভৰ প্ৰক্ৰিয়া উৎপাদিত সামগ্ৰীৰ বিপণন, অৰ্থনৈতিক পৰিকল্পনা, জি এছ টি পৰিশোধ আদি সন্দৰ্ভত পৰামৰ্শ দিয়া হয়।

ooooo

ডিব্ৰুগড় জিলাৰ চৰকাৰী বিদ্যালয়সমূহৰ সামগ্ৰিক শৈক্ষিক পৰিৱেশৰ উন্নীতকৰণৰ নিমিত্তে জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ উদ্যোগত **মিছন উৎসাহ** চলি আছে। এই অভিযানৰ জৰিয়তে পৰীক্ষাত ভাল ফলাফল দেখুওৱাব নোৱাৰা শিক্ষাৰ্থীসকলক বিদ্যালয় কৰ্তৃপক্ষই অতিৰিক্ত পাঠদানৰ ব্যৱস্থা কৰাৰ লগতে সময়ে সময়ে পৰীক্ষা লোৱা, আনকি শিক্ষক-শিক্ষয়িত্ৰীসকলে শিক্ষাৰ্থীসকলৰ ঘৰলৈ গৈও পাঠদানৰ ব্যৱস্থা কৰা হ'ব। যিসকল শিক্ষাৰ্থীয়ে নিয়মিতৰূপে বিদ্যালয়ত উপস্থিত নাথাকে বা যিসকল শিক্ষাৰ্থীয়ে বিভিন্ন কাৰণত আধাতে

বিদ্যালয় এৰিবলগীয়া হয়, তেনে শিক্ষাৰ্থীসকলৰ ঘৰে ঘৰে গৈ শিক্ষক-শিক্ষয়িত্ৰীসকলে অভিভাৱকসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে শিক্ষাৰ্থীসকলক নিয়মীয়াকৈ বিদ্যালয়লৈ যাবলৈ উৎসাহ যোগোৱা হ'ব।

ইফালে জিলাখনৰ সহকাৰী আয়ুক্ত নয়নমণি দত্তই **মিছন উৎসাহ**ৰ অধীনত ডিব্ৰুগড় পাব্লিক হাইস্কুল পৰিদৰ্শন কৰি বিদ্যালয়খনৰ আন্তঃগাঁথনিৰ সৈতে শৈক্ষিক পৰিৱেশৰ বুজ লয়। বিষয়াগৰাকীয়ে বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলকো বিভিন্ন বিষয়ত পাঠদান কৰে।

ooooo

অহা ৭ ছেপ্তেম্বৰৰ পৰা গুৱাহাটীত উত্তৰ-পূব মণ্ডল আন্তঃৰাজ্যিক বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বেডমিণ্টন এছ'চিয়েচন অৱ ইণ্ডিয়াৰ সহযোগিতাত অসম বেডমিণ্টন সন্থাই আয়োজন কৰা প্ৰতিযোগিতাখন গুৱাহাটীৰ ৰাধা গোবিন্দ ক্ৰীড়া প্ৰকল্পৰ কনকলতা ইন্দোৰ ষ্টেডিয়ামত খেলোৱা হ'ব। অসম বেডমিণ্টন সন্থাই প্ৰকাশ কৰা অনুসৰি অসমৰ লগতে অৰুণাচল প্ৰদেশ, মেঘালয়, মিজোৰাম, মণিপুৰ, নাগালেণ্ড, ত্ৰিপুৰা আৰু ছিকিমৰ প্ৰায় ২৫০ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। ইয়াৰে ১৫০ গৰাকী পুৰুষ আৰু প্ৰায় ১০০ গৰাকী মহিলা শ্বাটলাৰ। আনহাতে খেল পৰিচালক হিচাপে ৪১ গৰাকী কাৰিকৰী বিষয়া তথা ৰেফাৰী থাকিব। ৭ আৰু ৮ ছেপ্তেম্বৰত দলীয় শাখাৰ খেল, ৯ আৰু ১০ ছেপ্তেম্বৰত পুৰুষ-মহিলা তথা জুনিয়ৰ ল'ৰা-ছোৱালীৰ একক, ডাবলছ, মিক্সড ডাবলছ শাখাৰ খেলসমূহ খেলোৱা হ'ব। বেডমিণ্টন এছ'চিয়েচন অৱ ইণ্ডিয়া আৰু অসম বেডমিণ্টন সন্থাৰ সভাপতি তথা ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত ইতিমধ্যে প্ৰতিযোগিতাৰ সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। প্ৰতিযোগিতাখন ১০ ছেপ্তেম্বৰত সামৰণি পৰিব।

ooooo

কাৰ্বি আংলং জিলা প্ৰশাসনে জিলাখনৰ অতিৰিক্ত জিলা আয়ুক্ত অংকিতা বৰাক কৰ্তৃত্ব বিষয়া হিচাপে মনোনীত কৰি দিব্যাংগ প্ৰাৰ্থীয়ে আবেদন কৰা চতুৰ্থ বৰ্গ আৰু তৃতীয় বৰ্গ চাকৰিৰ প্ৰয়োজনীয় নথি-পত্ৰসমূহ প্ৰমাণ কৰি উচিত ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছে। ৰাজ্যিক পৰ্যায়ৰ নিয়োগ আয়ুক্তৰ নিৰ্দেশনা অনুসৰি কাৰ্বি আংলং জিলা প্ৰশাসনে জিলাখনৰ অতিৰিক্ত জিলা আয়ুক্ত শ্ৰীমতী বৰাক এটা নিৰ্দেশনাৰ জৰিয়তে কৰ্তৃত্ব বিষয়া হিচাপে দায়িত্ব অৰ্পণ কৰে।

ooooo

ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ নিৰ্দেশমৰ্মে আজি জামিৰা সমবায় সমিতিৰ অন্তৰ্গত কুমাৰণিছিগা জাগৃতি বৃদ্ধাশ্ৰমৰ আৱাসীসকলক ৰেচন কাৰ্ড বিতৰণ কৰা হয়। ডিব্ৰুগড় জিলাৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ ভাৰপ্ৰাপ্ত উপ-সঞ্চালক গৰাকীৰ নেতৃত্বত যোৱা যোগান বিভাগৰ এটা দলে আধাৰ কাৰ্ড থকা আৱাসীসকলক ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত ৰেচন কাৰ্ড প্ৰদান কৰে। লগতে আয়ুষ্মান কাৰ্ড প্ৰদানৰো যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে। আনহাতে জিলাখনৰ অন্তৰ্গত খনিকৰ ঠাকুৰ থানৰ পূজাশ্ৰী বৃদ্ধাশ্ৰম, হাতীমৰা আশা বৃদ্ধাশ্ৰম, খোৱাঙৰ কল্যাণ আশ্ৰমৰ আৱাসীসকলকো পৰ্যায়ক্ৰমে ৰেচন কাৰ্ড আৰু আয়ুষ্মান কাৰ্ড প্ৰদান কৰিব বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰিছে।

ooooo

যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈক আজি শিৱসাগৰত ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়। শিৱসাগৰ নগৰৰ যুৱদল প্ৰেক্ষাগৃহত জিলাখনৰ দুই শতাধিক দল-সংগঠনে সাংসদগৰাকীক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠানৰ পূৰ্বে সাংসদগৰাকীয়ে পুৱাৰ ভাগত শিৱসাগৰৰ ইতিহাস প্ৰসিদ্ধ শিৱদৌল পৰিদৰ্শন কৰে।

ooooo

সমাপ্ত